# NSD NEWS UNIT

## AKASHVANI, GUWAHATI

0000000000

**Date :** 01-07-2025

**Time:** 19-10 Hrs

***Assamese Evening Bulletin***

***Headlines***

::::::::::::::::::::::::::::::::::::::::::::

১। কেন্দ্ৰীয় মন্ত্ৰীসভাই দেশত কৰ্মসংস্থাপনৰ সুযোগ সৃষ্টিৰ লক্ষ্যৰে প্ৰায় এক লাখ কোটি টকাৰে ৰূপায়ণ কৰিবলগীয়া কৰ্মসংস্থান বিষয়ক উদগণি আঁচনিত অনুমোদন জনাইছে।

২। তামিলনাডুৰ চত্তুৰ বিৰুধু নগৰ জিলাৰ এটা ফটকাৰ কাৰখানাত আজি হোৱা বিস্ফোৰণত ৫ জন লোকৰ থিতাতে মৃত্যু হোৱাৰ লগতে ৩ জন লোক গুৰুতৰভাৱে আহত হয়।

৩। কম্বোদিয়াৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী **হুন শ্বায়েন**ৰ সৈতে থাইলেণ্ডৰ প্ৰধানমন্ত্ৰী **পেটঙথাৰ্ন চিনোৱাথ**ৰ ফোনযোগে হোৱা কথা বতৰা ফাদিল হোৱাৰ পাছতে থাইলেণ্ডৰ সাংবিধানিক আদালতে থাইলেণ্ডৰ প্ৰধানমন্ত্ৰীজনক নিলম্বন কৰিছে।

৪। পাঞ্জাবৰ ছবছৰীয়া শিশু টেগবীৰ সিঙে মাউণ্ট এলব্ৰুছ আৰোহন কৰি বিশ্বৰ কণিষ্ঠ পৰ্বতাৰোহী হিচাপে বিশ্ব ৰেকৰ্ড গঢ়িবলৈ সক্ষম হৈছে। ***আৰু***

৫। ভাৰত আৰু ইংলেণ্ডৰ মহিলা দলৰ মাজত চলি থকা পাঁচখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ দ্বিতীয়খন খেল আজি ব্ৰিষ্টলৰ কাউণ্টি খেলপথাৰত অনুষ্ঠিত হ'ব।

০০০০

কেন্দ্ৰীয় মন্ত্ৰীসভাই দেশত কৰ্মসংস্থাপনৰ সুযোগ সৃষ্টিৰ লক্ষ্যৰে প্ৰায় এক লাখ কোটি টকাৰে ৰূপায়ণ কৰিবলগীয়া কৰ্মসংস্থান বিষয়ক উদগণি আঁচনিত অনুমোদন জনাইছে। এই আঁচনিৰ অধীনত দুই বছৰত দেশত ৩ কোটি ৫০ লাখৰো অধিক কৰ্মসংস্থাপন সৃষ্টিৰ লক্ষ্য নিৰ্ধাৰণ কৰি হৈছে। চলিত বৰ্ষৰ পহিলা আগষ্ট আৰু ২০২৭ চনৰ ৩১ জুলাইৰ ভিতৰত সৃষ্টি হোৱা চাকৰিৰ ক্ষেত্ৰত এই আঁচনি প্ৰযোজ্য হ'ব। আঁচনিৰ জৰিয়তে নিৰ্মাণ খণ্ডত বিশেষ গুৰুত্ব আৰোপেৰে সকলো ক্ষেত্ৰত কৰ্মসংস্থাপনৰ সুযোগ সৃষ্টি আৰু সামাজিক সুৰক্ষা প্ৰদানৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। মন্ত্ৰীসভাৰ বৈঠকৰ সিদ্ধান্তৰ বিষয়ে নতুন দিল্লীত আজি সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে কয়, যে এই আঁচনিৰ অধীনত প্ৰথমবাৰৰ বাবে কৰ্মসংস্থাপন লাভ কৰা কৰ্মচাৰীসকলক এমাহৰ দৰমহা ১৫ হাজাৰ টকা পৰ্যন্ত লাভ কৰিব। তেওঁ কয়, যে নিৰ্মাণখণ্ডত দুবছৰৰ বাবে সম্প্ৰসাৰিত লাভৰ সৈতে অতিৰিক্ত কৰ্মসংস্থাপন সৃষ্টি কৰাৰ বাবে নিয়োগকৰ্তাসকলক উদগণিমূলক ধনৰাশি প্ৰদান কৰা হ'ব। মন্ত্ৰীসভাই এক লাখ কোটি টকাৰ মূলধনেৰে গৱেষণা উন্নয়ন আৰু উদ্ভাৱন আঁচনিতো অনুমোদন জনোৱা বুলি শ্ৰীবৈষ্ণৱে জানিবলৈ দিয়ে। দেশৰ গৱেষণা আৰু উদ্ভাৱন তন্ত্ৰ শক্তিশালী কৰাৰ বাবে ব্যক্তিগত খণ্ডৰ বিনিয়োগৰ প্ৰসাৰৰ জৰিয়তে দীৰ্ঘকালিন পুঁজি যোগান নিশ্চিত কৰাই এই আঁচনিৰ মূল উদ্দেশ্য। শ্ৰীবৈষ্ণৱে কয়, যে

দেশৰ খেল প্ৰেক্ষাপটৰ ৰূপান্তৰ আৰু খেল ধেমালীৰ মাজেৰে নাগৰিকসকলক সৱল কৰি তোলাৰ বাবে ৰাষ্ট্ৰীয় ক্ৰীড়া নীতি ২০২৫ তো মন্ত্ৰীসভাই অনুমোদন দিছে। তেওঁ কয়, যে এই নীতিৰ জৰিয়তে ভাৰতবৰ্ষক খেলৰ ক্ষেত্ৰত বিশ্বৰ ৫ খন শীৰ্ষ ৰাষ্ট্ৰৰ ভিতৰত অন্তৰ্ভুক্ত কৰোৱাৰ লক্ষ্য থিৰাং কৰা হৈছে। মন্ত্ৰীসভাই এহেজাৰ ৮৫৩ কোটি টকা ব্যয় সাপেক্ষ তামিলনাডু চাৰিলেনযুক্ত পৰমকুণ্ডি-ৰামানাথপুৰম সংযোগী পথ নিৰ্মাণৰ প্ৰস্তাৱত অনুমোদন দিয়া বুলিও শ্ৰীবৈষ্ণৱে প্ৰকাশ কৰে।

০০০০

তামিলনাডুৰ চত্তুৰ বিৰুধু নগৰ জিলাৰ এটা ফটকাৰ কাৰখানাত আজি হোৱা বিস্ফোৰণৰ ফলত ৫ জন লোকৰ থিতাতে মৃত্যু হোৱাৰ লগতে ৩ জন লোক গুৰুতৰভাৱে আহত হয়। এই কাৰখানাত ২০ টা কোঠাত ৫০ জনতকৈ অধিক লোকে কাম কৰিছিল। আহত ব্যক্তিকেইজনক ওচৰৰ চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছে। অগ্নি নিৰ্বাপন বাহিনীয়ে ঘটনাস্থলীৰ পৰা বাকী থকা কৰ্মচাৰীসকলক সুকলমে বাহিৰ কৰিবলৈ সক্ষম হয়।

০০০০

কম্বোদিয়াৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী **হুন শ্বায়েন**ৰ সৈতে থাইলেণ্ডৰ প্ৰধানমন্ত্ৰী **পেটঙথাৰ্ন চিনোৱাথ**ৰ সৈতে ফোনযোগে হোৱা কথা বতৰাৰ এটা ফোনকল লিক হোৱাৰ পাছতে থাইলেণ্ডৰ সাংবিধানিক আদালতে থাইলেণ্ডৰ প্ৰধানমন্ত্ৰীজনক নিলম্বন কৰে। সংবিধানৰ অন্তৰ্গত নৈতিক মানদণ্ডৰ অৱমাননা তথা অসৎ উপায় অৱলম্বন কৰাৰ অভিযোগত ৩৬ জন চিনেটৰে আগবঢ়োৱা আবেদনৰ ভিত্তিত প্ৰধানমন্ত্ৰী **পেটঙথাৰ্ন চিনোৱাথ**ক নিলম্বন কৰা হৈছে। সীমান্ত সম্পৰ্কীয় ৰাজনৈতিকভাৱে সংবেদনশীল এটা বিষয়ত পূৰ্বৰ কম্বোদিয়ান নেতাজনৰ সৈতে হোৱা কথা বতৰাৰ সৈতে এই আবেদন জৰিত হৈ আছে। আবেদন পত্ৰখনৰ সপক্ষে থকা ৭ টা ভোটৰ ভিত্তিত প্ৰধানমন্ত্ৰীগৰাকীক নিলম্বন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। যোৱা ২৮ মে' তাৰিখে হোৱা সীমা সংঘৰ্ষৰ ফলত এজন কম্বোদিয়ান সৈনিকে প্ৰাণ হেৰুওৱাৰ পাছতে এই বিতৰ্ক আৰম্ভ হৈছিল। লিক হোৱা ফোনকলটোত পেটঙথাৰ্নৰ ঘটনাটোক সহজ কৰিব বিচাৰি কৰা কূটনৈতিক প্ৰচেষ্টা, ৰাজহুৱা সমালোচনা আৰু নাগৰিকৰ প্ৰতিবাদ এই সকলোবোৰ সন্নিবিষ্ট হৈ আছিল। ১৫ জুনৰ এই ফোনকলটোত পেটঙথাৰ্নে এজন থাই সেনাধ্যক্ষকক সমালোচনা কৰাৰ লগতে **হুন শ্বায়েন**ক প্ৰশংসা কৰিছিল, যিটো দেশখনৰ নীতি বহিৰ্ভুত আছিল। পিছত ৩৮ বছৰীয়া এই প্ৰধানমন্ত্ৰীগৰাকীয়ে নিজৰ মন্তব্যৰ বাবে ক্ষমা বিচাৰি কয়, যে তেওঁৰ এই মন্তব্য ঘটনাটোক সঠিক আলোচনাৰ দিশে নিয়াৰ বাবে মাথো এটা কৌশলহে আছিল। আদালতে অন্তিম ৰায়দান নিদিয়া পৰ্যন্ত উপ প্ৰধানমন্ত্ৰীজনে থাইলেণ্ডৰ চৰকাৰৰ দায়িত্বত থকাৰ সম্ভাৱনা আছে।

০০০০

পাঞ্জাবৰ ছবছৰীয়া শিশু টেগবীৰ সিঙে মাউণ্ট এলব্ৰুছ আৰোহন কৰি বিশ্বৰ কণিষ্ঠ পৰ্বতাৰোহী হিচাপে বিশ্ব ৰেকৰ্ড গঢ়িবলৈ সক্ষম হৈছে। ১৮ হাজাৰ ৫১০ ফুট উচ্চতাৰে মাউণ্ট এলব্ৰুছ হৈছে ৰাছিয়া আৰু ইউৰোপৰ সৰ্বোচ্চ পৰ্বত। টেগবীৰে তেওঁৰ পিতৃ সুখিন্দৰ দীপ সিঙৰ সৈতে যোৱা ২০ জুন তাৰিখে এই যাত্ৰা আৰম্ভ কৰিছিল আৰু ২৮ জুন তাৰিখে এলব্ৰুছ পৰ্বতৰ শিখৰ চুবলৈ সক্ষম হৈছিল। ৰাছিয়াৰ কবাৰদিনো, বালকেৰিয়ান ৰিপাবলিকৰ ফালৰ পৰা টেগবীৰ সিঙে মাউণ্টেনিয়াৰিং, ক্লাইম্বিং আৰু স্পোৰ্টছ টুৰিজিম ফেডাৰেশ্বনৰ ফালৰ পৰা এই অভিলেখ গঢ়াৰ বাবে প্ৰমাণ পত্ৰ লাভ কৰিবলৈ সক্ষম হৈছে।

০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰই আজি ৭৮ বছৰত ভৰি দিছে। এই উপলক্ষে আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগে আজি পুৰা বিভাগটোৰ লবীত কেইবাগৰাকীও প্ৰয়াত সহকৰ্মীৰ আলোকচিত্ৰ স্থাপন কৰা হয়। প্ৰয়াত সহকৰ্মী কেইগৰাকীৰ পৰিয়ালে আগবঢ়োৱা এই আলোকচিত্ৰকেইখন আজি আনুষ্ঠানিকভাৱে অনাবৰণ কৰা হয়। অষ্ট সপ্ততিতম প্ৰতিষ্ঠা দিৱস উপলক্ষে আকাশবাণী গুৱাহাটী কেন্দ্ৰই আজি গুৱাহাটীৰ উজানবজাৰৰ বিবেকানন্দ কেন্দ্ৰৰ প্ৰেক্ষাগৃহত এটা অন্তৰংগ অনুষ্ঠানৰ আয়োজন কৰিছে।

প্ৰতিষ্ঠা দিৱস উপলক্ষে আজি সন্ধিয়া চাৰে ৬ বজাত আকাশবাণী গুৱাহাটী কেন্দ্ৰই ৰঙিয়াৰ হৰদত্ত-বীৰদত্ত ভৱনত ‘ওপজা দিনৰ সুবাস’ শীৰ্ষক এটা সংগীতানুষ্ঠানৰ আয়োজন কৰিছে। অনুষ্ঠানত বিশিষ্ট সংগীত শিল্পী দিলীপ দাসৰ গীত আৰু আলাপ, ডম্বৰুধৰ পাঠক আৰু জবা দাসৰ লোকগীত, উৎপল বৰাৰ মেন্দোলিন বাদন আৰু ৰঙিয়াৰ সমন্বয়ী কলাকেন্দ্ৰৰ শিল্পীসকলৰ নৃত্যানুষ্ঠান পৰিৱেশন কৰা হ’ব। প্ৰতিষ্ঠা দিৱসৰ সৈতে সংগতি ৰাখি আজি আকাশবাণী গুৱাহাটীৰ প্ৰাচীৰ পত্ৰিকা **আকাশী স্পন্দন**ৰ ষষ্ঠ বৰ্ষৰ একাদশ সংখ্যা আনুষ্ঠানিকভাৱে উন্মোচন কৰা হয়। **আকাশী স্পন্দন**ৰ এইবাৰৰ সংখ্যা গণশিল্পী দিলীপ শৰ্মাৰ জন্ম শতবৰ্ষ বিশেষ সংখ্যাৰূপে প্ৰকাশ কৰা হয়। আকাশবাণী গুৱাহাটীৰ কথাশিল্প অনুষ্ঠানত প্ৰচাৰ কৰা ড০ ৰুবুল মাউটৰ **মোৰো এটা সপোন আছে** গ্ৰন্থখনৰ ধাৰাবাহিক পাঠৰ শীৰ্ষ গীত দুটিৰ লিৰিকেল ভিডিঅ’ আজি মুকলি কৰা হয়। বিশিষ্ট গীতিকাৰ কীৰ্তি কমল ভূঞা আৰু আকাশবাণীৰ অৱসৰপ্ৰাপ্ত সঞ্চালক অৱনী ৰঞ্জন পাঠকে মুকলি কৰা এই গীতৰ কথা ইউৰেকা কাকতি আৰু গহনা চক্ৰৱৰ্তীৰ আৰু সুৰ বৰষা বৰাৰ। সুকন্যা কাশ্যপ মহন্ত আৰু বৰষা বৰাই কণ্ঠ নিগৰোৱা গীত দুটিৰ সংগীত মনদীপ মহন্ত আৰু হিৰকজ্যোতি নাথৰ। ডিজিটেল আৰ্ট শংকৰ ভৰালীৰ। এনিমেশ্যন, এডিটিং উদ্দীপ্ত ভট্টাচাৰ্যৰ আৰু প্ৰযোজনা কৰিছে ইন্দ্ৰজিৎ দাসে।

আজিৰ পৰা আকাশবাণী গুৱাহাটী কেন্দ্ৰই বিৱিধ ভাৰতী শাখাত অসমীয়া অনুষ্ঠানৰ প্ৰচাৰ পুনৰ আৰম্ভ কৰিছে। শ্ৰোতাসকলে ১০০ দশমিক ৮ মেগাহাৰ্টজত এই শাখাৰ অনুষ্ঠানসমূহ শুনিব পাৰিব। ইয়াৰ উপৰিও আজিৰ পৰা আকাশবাণী গুৱাহাটী কেন্দ্ৰই সাদিনীয়া নাট মহোৎসৱৰ আয়োজন কৰিছে। নাট শৃংখলাত আজি সূৰ্যৰ পৰিচালনাত ড° ভৱেন্দ্ৰ নাথ শইকীয়াৰ **ৰাৱন** শীৰ্ষক নাটকখন প্ৰচাৰ কৰিব। আকাশবাণী গুৱাহাটী কেন্দ্ৰই আজি ৰঙিয়াৰ হৰদত্ত-বীৰদত্ত ভৱনত আয়োজন কৰা **ওপজা দিনৰ সুবাস** অনুষ্ঠানটো ইয়াৰ মহাবাহু শাখাত পোনপটীয়াকৈ প্ৰচাৰ কৰা হ’ব।

০০০০

চাউথ কলকাতা আইন মহাবিদ্যালয়ত সংঘটিত ধৰ্ষণ গোচৰৰ তদন্ত পূৰ্ণ গতিত চলি আছে বুলি কলকাতা আৰক্ষী আয়ুক্ত মনোজ কুমাৰ বাৰ্মাই প্ৰকাশ কৰিছে। ইপিনে, এই গোচৰৰ মুখ্য অভিযুক্ত মনোজিত মিশ্ৰ, প্ৰমিদ মুখাৰ্জী আৰু জেইদ আহমেদ তথা ঘটনাৰ সময়ত উপস্থিত থকা নিৰাপত্তাৰক্ষী পিনাকি বন্দোপাধ্যায়ক আজি আলিপুৰ আদালতৰ সন্মুখত হাজিৰ কৰোৱা হয়। ইফালে, মহাবিদ্যালয় কৰ্তৃপক্ষই অভিযুক্ত সকলো শিক্ষাৰ্থী আৰু মহাবিদ্যালয়খনৰ অস্থায়ী কৰ্মচাৰী মনোজিত মিশ্ৰক নিলম্বন কৰিছে।

০০০০

ভাৰত আৰু ইংলেণ্ডৰ মহিলা দলৰ মাজত চলি থকা পাঁচখনীয়া টি-২০ ক্রিকেট শৃংখলাৰ দ্বিতীয়খন খেল আজি ব্রিষ্টলৰ কাউণ্টি খেলপথাৰত অনুষ্ঠিত হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি নিশা এঘাৰ বজাত আৰম্ভ হ'ব। নট্টিংহামৰ ট্ৰেণ্ট ব্রীজত অনুষ্ঠিত শৃংখলাৰ প্রথমখন খেলত ভাৰতে ঘৰুৱা দলটোক ৯৭ ৰানৰ ব্যৱধানত পৰাস্ত কৰি ইতিমধ্যে ১-০ অগ্রগতি লাভ কৰিছে। খেলখনত স্মৃতি মান্ধানাই টি-২০ আন্তঃৰাষ্ট্রীয় খেলত নিজৰ প্রথমটো শতক অর্জন কৰিছিল। ইয়াৰ সুবাদত খেলুৱৈগৰাকীয়ে টেষ্ট, এদিনীয়া আৰু টি-২০- এই আটাইকেইটা সংস্কৰণতে শতক অর্জন কৰা ভাৰতৰ প্রথমগৰাকী মহিলা ক্রিকেট খেলুৱৈ হিচাপে পৰিগণিত হয়।

০০০০

সমাপ্ত